# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 08-06-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১।    বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰ আজি সপ্তাহযোৰা ভ্ৰমণসূচীৰে ফ্ৰান্স, ইউৰোপীয় সংঘ আৰু বেলজিয়ামলৈ ৰাওনা হৈছে।

২।    কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তামিলনাডুৰ ডি এম কে চৰকাৰক জনবিৰোধী নীতি গ্ৰহণ কৰা অভিযোগ উত্থাপন কৰি কঠোৰ ভাষাৰে সমালোচনা কৰে।

৩।    এন ডি এ চৰকাৰে কেন্দ্ৰত এঘাৰ বছৰ সম্পূৰ্ণ কৰাৰ সমান্তৰালকৈ দেশৰ শিক্ষাখণ্ডত বৃহৎ পৰিৱৰ্তন পৰিলক্ষিত হোৱা বুলি দিল্লী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই প্ৰকাশ কৰিছে।

৪।    মণিপুৰৰ পৰিস্থিতি পুনৰ উত্তপ্ত হোৱাৰ পিছত আজি ৫ দিনৰ বাবে ৰাজ্যখনৰ পাঁচখন জিলাত ইণ্টাৰনেট আৰু ম'বাইল ডাটা সেৱা বন্ধ কৰিছে। *আৰু*

৫।    ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাত দ্বিতীয় বাচনিৰ ইটালীয়ান যুঁটী চাৰা ইৰৰাণী আৰু জেচমীন পাৱলিনিয়ে মহিলাৰ ডাবলছৰ খিতাপ জয় কৰিছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰ আজি সপ্তাহযোৰা ভ্ৰমণসূচীৰে ফ্ৰান্স, ইউৰোপীয় সংঘ আৰু বেলজিয়ামলৈ ৰাওনা হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত বৈদেশিক মন্ত্ৰীগৰাকীয়ে ফ্ৰান্সৰ পেৰিছত দেশখনৰ বিদেশ মন্ত্ৰী জ্যান নৱেল বেৰোটৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীজয়শংকৰে দেশখনৰ আন আন জ্যেষ্ঠ নেতাৰ সৈতে বৈঠকত মিলিত হোৱাৰ লগতে বুদ্ধিজীৱি আৰু সংবাদ মাধ্যমৰ সৈতেও মত বিনিময় কৰিব। ইউৰোপ ভ্ৰমণৰ সময়ছোৱাত শ্ৰীজয়শংকৰে ইউৰোপীয় সংঘৰ শীৰ্ষ প্ৰতিনিধি আৰু উপৰাষ্ট্ৰপতি কাজাকাল্লাচৰ সৈতে কূটনৈতিক আলোচনাত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে ইউৰোপৰ সংসদ আৰু আয়োগৰ জ্যেষ্ঠ নেতাসকলৰ সৈতেও মিলিত হোৱাৰ কথা। বেলজিয়াম ভ্ৰমণৰ সময়ছোৱাত ড° জয়শংকৰে দেশখনৰ উপ প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী মেগজিম প্ৰিবতৰ সৈতে দ্বিপাক্ষিক বিষয় লৈ মত বিনিময় কৰাৰ লগতে জ্যেষ্ঠ নেতাসকলকো সাক্ষাৎ কৰিব। তেওঁ দেশখনত থকা ভাৰতীয় মূলৰ লোকসকলকো সাক্ষাৎ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কৈছে যে ড° জয়শংকৰৰ এই ভ্ৰমণে ইউৰোপীয় সংঘ, ফ্ৰান্স আৰু বেলজিয়ামৰ সৈতে বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক বন্ধুত্বমূলক সম্পৰ্ক আৰু অধিক সুদৃঢ় কৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তামিলনাডুৰ মাদুৰাইত এখন জনসভাত ভাষণ দি শাসনাধিস্থিত ডি এম কে চৰকাৰক জনবিৰোধী নীতি গ্ৰহণ কৰা অভিযোগ উত্থাপন কৰি কঠোৰ ভাষাৰে সমালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডি এম কে দলটো তামিলনাডু ৰাজ্যিক বিপনন নিগম লিমিটেডৰ ৩৯ হাজাৰ ৭৭৫ কোটি টকীয়া কেলেংকাৰীৰে জড়িত থকাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, যে চৰকাৰৰ ভুল নীতিৰ বাবে ৰাজ্যখনৰ আইন

শৃংখলা পৰিস্থিতিৰ সম্প্ৰতি অৱনতি ঘটিছে। উল্লেখযোগ্য যে ২০২৬ চনত তামিলনাডুত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হব। এই নিৰ্বাচনত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চমুকৈ এন ডি এ জয়লাভ কৰিব বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ কয় যে তামিলনাডু আৰু পশ্চিমবংগত এতিয়া বিজেপি শাসনৰ প্ৰয়োজন।

০০০০০

এন ডি এ চৰকাৰে কেন্দ্ৰত এঘাৰ বছৰ সম্পূৰ্ণ কৰাৰ সমান্তৰালকৈ দেশৰ শিক্ষাখণ্ডত বৃহৎ পৰিৱৰ্তন পৰিলক্ষিত হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতি, উদীয়মান ভাৰতৰ বাবে পি এম বিদ্যালয়, সৰ্বশিক্ষা অভিযান, পি এম ই বিদ্যাৰ দৰে উল্লেখযোগ্য পদক্ষেপসমূহৰ জৰিয়তে দেশৰ শৈক্ষিক পাঠ্যক্ৰমৰ তাৎপৰ্যপূৰ্ণ বিকাশ হৈছে। আকাশবাণী বাতৰি বিভাগৰ সৈতে হোৱা বিশেষ সাক্ষাৎকাৰত দিল্লী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য য়োগেশ সিঙে কয় যে এই যাত্ৰাত শিক্ষা আটাইতকৈ শক্তিশালী তথা সফল আহিলা হিচাপে পৰিগণিত হৈছে। নতুন শিক্ষানীতিয়ে শিক্ষা খণ্ডলৈ বহু পৰিৱৰ্তন অনাৰ লগতে দক্ষতা বিকাশ তথা মূল্য সংযোজিত পাঠ্যক্ৰমো সংপৃক্ত কৰিছে। শ্ৰেণীকোঠাসমূহ সৃষ্টিশীল কৰি গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰাৰ লগতে মৌলিকতাৰ ওপৰতো উপাচাৰ্য্যগৰাকীয়ে দৃষ্টিপাত কৰে।

০০০০০

লচ এঞ্জেলেছত সংঘটিত হিংসাত্মক পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে নেচনেল গাৰ্ডৰ ২০০০ জোৱান নিয়োগৰ নিৰ্দেশ দিছে। অঞ্চলটোত দ্বিতীয় দিনৰ বাবেও চৰকাৰী পক্ষ আৰু সাধাৰণ জনতাৰ মাজত সংঘৰ্ষ অব্যাহত আছে। উল্লেখযোগ্য যে বিগত সময়ছোৱাত লছ এঞ্জেলছত ট্ৰাম্প প্ৰশাসনে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে অভিযান চলাইছিল। এই সময়ছোৱাত নথিপত্ৰবিহীন ১১৮ জন অনুপ্ৰবেশকাৰীক গ্ৰেপ্তাৰ কৰা হৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে ট্ৰাম্প প্ৰশাসনৰ এই অভিযানৰ বিৰুদ্ধে একাংশ লোকে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদৰ সময়ছোৱাত জনতাই ইমিগ্ৰেছন এণ্ড কাষ্টমছ্ এনফোৰ্চমেণ্ট, চমুকৈ আই চি ইৰ বিষয়াৰ সৈতে আক্ৰমন-প্ৰত্যাক্ৰমনত লিপ্ত হয়। ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত নেচনেল গাৰ্ডৰ জোৱানসকলে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱাৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰে। বাৰ্তাটোত তেওঁ উল্লেখ কৰে যে এনে ঘটনাক প্ৰৰোচিত কৰা আৰু এনে ঘটনাৰ সৈতে জড়িত লোকসকলক চৰকাৰে কেতিয়াও প্ৰশ্ৰয় নিদিয়ে।

০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ এন আই এ মণিপুৰত নিৰাপত্তাৰক্ষীৰ আক্ৰমণত জড়িত ৩ জন বিদ্ৰোহীক গ্ৰেপ্তাৰ কৰিছে। এই তিনিওজন বিদ্ৰোহীয়ে যোৱা বছৰ ১৭ জানুৱাৰীত মণিপুৰ মোৰেত ভাৰতীয় সংৰক্ষিত বাহিনীৰ এটা নিৰাপত্তা চাউনীত আক্ৰমণ সংঘটিত কৰাৰ লগতে এটা তহলদাৰী গোটৰ ওপৰতো আক্ৰমণ সংঘটিত কৰিছিল। এই ঘটনাত দুজন আৰক্ষীৰ জোৱান নিহত হোৱাৰ লগতে আন কেইবাজনো জোৱান গুৰুতৰভাৱে আহত হৈছিল। এন আই এ গ্ৰেপ্তাৰ কৰা মণিপুৰী বিদ্ৰোহী কেইজন হৈছে থাংমিনেল মেটে, কামগিংথাং গাংটে, হেন্তিনথাং কিপগেন। উল্লেখযোগ্য যে এন আই এই নিৰাপত্তাৰক্ষী আক্ৰমণৰ সৈতে জড়িত আন বিদ্ৰোহীসকলৰ বিৰুদ্ধেও অভিযান অব্যাহত ৰাখিছে। ইফালে চিবিআইয়ে অভিযান চলাই যোৱা নিশা ইম্ফল বিমান বন্দৰৰ পৰা ২০২৩ চনৰ হিংসাত্মক ঘটনাৰ সৈতে জড়িত আন এজন লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কাৰ ব্যক্তিজন মণিপুৰৰ আৰামবাই টেংগল নামৰ বিদ্ৰোহী সংগঠনটোৰ সদস্য। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত চি বি আইয়ে মণিপুৰৰ হিংসাত্মক ঘটনাৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

০০০০০

মণিপুৰত চিবিআইয়ে যোৱা নিশা আৰাম্বাই টেংগল নামৰ  বিদ্ৰোহী সংগঠনটোৰ এজন সদস্যক গ্ৰেপ্তাৰ কৰাৰ পাছতেই ৰাজ্যখনৰ পৰিস্থিতি পুনৰ উত্তপ্ত হৈ পৰিছে। পূব ইম্ফল আৰু পশ্চিম ইম্ফল জিলাত সাধাৰণ জনতাই হিংসাত্মক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। ইয়াৰ পিছতেই পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চৰকাৰে যোৱা নিশা ১১ বাজি ৪৫ মিনিটৰ পৰা কাৰ্যকৰী হোৱাকৈ ৫ দিনৰ বাবে ৰাজ্যখনৰ পাঁচখন জিলাত ইণ্টাৰনেট আৰু ম'বাইল ডাটা সেৱা বন্ধ কৰিছে। এই জিলাকেইখন হৈছে- পশ্চিম ইম্ফল, পূব ইম্ফল, থৌবল, বিষ্ণুপুৰ আৰু কাকসিং। ৰাজ্যখনৰ গৃহ বিভাগৰ আয়ুক্ত সচিব এন অশোক কুমাৰে কৈছে যে, জিলাকেইখনত আইন শৃংখলাৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সমাজ বিৰোধী শক্তিয়ে সামাজিক মাধ্যম ব্যৱহাৰ কৰি ঘৃণা বিয়পোৱা ফটো, মন্তব্য তথা ভিডিঅ' বাৰ্তাৰে জনসাধাৰণক বিপথে পৰিচালিত কৰিব পাৰে বুলি আশংকা কৰি এই সিদ্ধান্ত লোৱা হৈছে।

০০০০০

স্থলসেনা প্ৰধান উপেন্দ্ৰ দ্বিবেদীয়ে আজি গৰৱালৰ সীমান্ত অঞ্চলৰ কেইবাটাও তালাচী চকীত উপস্থিত হৈ অঞ্চলটোত মোতায়েন হৈ থকা সেনা বাহিনীৰ প্ৰশাসনিক প্ৰস্তুতি তথা কাৰ্যদক্ষতা পৰ্যবেক্ষন কৰে। এই ভ্ৰমণকালত শ্ৰীদ্বিবেদীয়ে সীমান্ত অঞ্চলত কৰ্তব্যত নিয়োজিত হৈ থকা জোৱানসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ অতুলনীয় নিষ্ঠা তথা সাহসীকতাৰ প্ৰশংসা কৰে। স্থলসেনা প্ৰধানগৰাকীয়ে অবিৰত পৰ্যবেক্ষণ তথা অভিযানৰ বাবে প্ৰস্তুত হৈ থকাৰ ক্ষেত্ৰত উচ্চ মান বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ উদ্যোগ মন্ত্ৰী চিৰাগ পাছোৱানে কৈছে যে বিহাৰৰ উন্নয়নৰ বাবে তেওঁ ৰাজনীতি কৰিছে। বিহাৰৰ ভোজপুৰ জিলাৰ আৰাহত অনুষ্ঠিত এখন দলীয় সভাত আজি ভাষণ দি তেওঁ লগতে কয়, যে বিহাৰ আৰু বিহাৰৰ জনতা প্ৰথম নীতিৰে তেওঁ সদায়ে কাম কৰি আহিছে। বিহাৰৰ পিছপৰা অৱস্থাৰ বাবে আৰ জে ডি আৰু কংগ্ৰেছ দলেই মূলতঃ জগৰীয়া বুলি উল্লেখ কৰি তেওঁ কয়, যে কেন্দ্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যত মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ নেতৃত্বত শেহতীয়াকৈ বিহাৰৰ জনতাৰ উন্নয়নৰ পথ ত্বৰান্বিত হৈ আহিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আৰু কয়, যে আগন্তুক  বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ এন ডি এৰ মিত্ৰতা শক্তিশালী কৰাৰ বাবে কাম কৰি যাব। উল্লেখযোগ্য যে আজিৰ এই সভাৰ জৰিয়তে চিৰাগ পাছোৱানে চাহাবাদ অঞ্চলৰ পৰা দলীয় নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে।

০০০০০

ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাত দ্বিতীয় বাচনিৰ ইটালীয়ান যুটী চাৰা ইৰৰাণী আৰু জেচমীন পাৱলিনিয়ে মহিলাৰ ডাবলছৰ খিতাপ জয় কৰিছে। যুটীটোৱে কাজাখস্তানৰ আন্না ডেনেলিনা আৰু ছাৰ্ভিয়াৰ আলেকজেন্দ্ৰা ক্ৰুনিক যুটীক ৬-৪, ২-৬, ৬-১ ফলাফলত পৰাস্ত কৰি খিতাপ অৰ্জন কৰিছে।

পুৰুষৰ ছিংগলছৰ আজি ফাইনেল অনুষ্ঠিত হ'ব। ফাইনেলত বিশ্বৰ প্ৰথম স্থানৰ খেলুৱৈ জানিক ছিনাৰ যোৱাবাৰৰ ছেম্পিয়ন কাৰ্লছ আলকাৰাজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ছিনাৰে ছেমি ফাইনেলত পূৰ্বৰ ছেম্পিয়ন নভাক জকভিছক ৬-৪, ৭-৫, ৭-৬ ছেটত পৰাস্ত কৰে। আনহাতে আল কাৰাজে প্ৰতিদন্দ্বী লৰেঞ্জ' মুছেটিৰ আঘাটৰ বাবে ছেমি ফাইনেল নেখেলাকৈয়ে ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ